*Total number of printed pages – 4*

**63 (FY)SEM–1/MAJ/ASMMAJ1014**

**2025**

# ASSAMESE

(Major)

Paper : ASMMAJ1014

***(History of Assamese Literature – I)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) ‘এঘৰৰ পাট নাদ

এঘৰৰ ভাৰী

এঘৰে পানী তোলে

ঘটং ঘটং কৰি’ – এফাঁকি

*(i)* জুনা

*(ii)* মন্ত্ৰ

*(iii)* ফকৰা-যোজনা

*(iv)* সাঁথৰ

(খ) ‘চৰ্যাচৰ্যবিনিশ্চয়’ শীৰ্ষক গ্ৰন্থখন হৰপ্ৰসাদ শাস্ত্ৰীয়ে পোন-প্ৰথমে কেতিয়া প্ৰকাশ কৰিছিল?

*(i)* ১৯১৫ চনত

*(ii)* ১৯১৬ চনত

*(iii)* ১৯১৭ চনত

*(iv)* ১৯১৮ চনত

(গ) মাধৱ কন্দলীৰ সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণা আৰু পৃষ্ঠপোষক আছিল –

*(i)* শালৰজা ব্ৰহ্মপাল

*(ii)* স্বৰ্গদেউ ৰুদ্ৰসিংহ

*(iii)* কোচ ৰজা নৰনাৰায়ণ

*(iv)* বৰাহী ৰজা মহামাণিক্য

(ঘ) শংকৰদেৱৰ বিৰচিত প্ৰথম বৰগীতটো হ'ল–

*(i)* মন মেৰি ৰামচৰণেহি লাগু

*(ii)* নাহি নাহি ৰময়া বিনে

*(iii)* নাৰায়ণ কাহে ভকতি কৰো তেৰা

*(iv)* পাৱে পৰি হৰি কৰোহো কাতৰি

(ঙ) ‘কথাগীতা’ কোনে ৰচনা কৰিছিল?

*(i)* শ্ৰীধৰ কন্দলী

*(ii)* ৰামসৰস্বতী

*(iii)* অনন্ত কন্দলী

*(iv)* ভট্টদেৱ



(চ) ‘চৰিত পুথি’ কোন শতিকাৰ ৰচনা?

*(i)* পঞ্চদশ শতিকাৰ

*(ii)* ষোড়শ শতিকাৰ

*(iii)* সপ্তদশ শতিকাৰ

*(iv)* অষ্টাদশ শতিকাৰ

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) লোকসাহিত্যৰ *দুটা* বিশেষত্ব উল্লেখ কৰা।

(খ) অসমীয়া সমাজত বহুল প্ৰচলিত *দুটা* প্ৰবাদ উল্লেখ কৰা।

(গ) *দুগৰাকী* চৰ্যাকাৰৰ নাম লিখা।

(ঘ) মাধৱ কন্দলীক কোনে ‘অপ্ৰমাদী কবি’ বুলি আখ্যা দিছিল? ‘অপ্ৰমাদী’ শব্দৰ অৰ্থ কি?

(ঙ) শংকৰদেৱৰ বিৰচিত প্ৰথম অংকীয়া নাট কোনখন? নাটকখনৰ উৎস কি?

(চ) বৈষ্ণৱ যুগৰ প্ৰভাৱমুক্ত *দুগৰাকী* কবিৰ নাম লিখা।

(ছ) *যিকোনো দুখন* চৰিত পুথিৰ নাম লিখা।

৩। চমু টোকা লিখা ঃ *(যিকোনো ছটা)* ৫×৬=৩০

(ক) সাধুকথাৰ বৈশিষ্ট্য

(খ) ডাকৰ বচন

(গ) সাঁথৰ

(ঘ) মন্ত্ৰসাহিত্য

(ঙ) চৰ্যাপদ

(চ) বৰগীত

(ছ) দুৰ্গাবৰৰ গীতি ৰামায়ণ

(জ) কথাগুৰুচৰিত

(ঝ) ভট্টদেৱৰ গদ্য

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×২=২৪

(ক) লোকগীত কাক বোলে? অসমীয়া লোকগীতৰ শ্ৰেণীবিভাজন কৰি *যিকোনো এবিধ* লোকগীতৰ বিষয়ে উদাহৰণসহ লিখা। ২+২+৮=১২

(খ) মাধৱ কন্দলীৰ ৰামায়ণত তৎকালীন অসমৰ সমাজচিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(গ) 'মাধৱদেৱৰ সাহিত্যকৃতি' – এই শিতানত এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(ঘ) বুৰঞ্জী সাহিত্যৰ গদ্যৰ বিশেষত্বসমূহ ফঁহিয়াই আলোচনা কৰা।

---